স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

শক ☐ ২২ মে' ২০২৩ চন ☐ VOL-13 ☐ NO-76 ☐ MONDAY 22 MAY 2023 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION) PAG

D.H.S.K. College, I.C.C.
Estd-1945
Date .......
Dibrugarh, Assam

জাত

ায়ৰ জন্ম।
আৰ্থাৰ কনান দয়ালৰ জন্ম।
গ্নিৰ পৰীক্ষামূলক উৎক্ষেপণ।
লথ দেশৰ সদস্য পদ ত্যাগ।
তৰ প্ৰধানমন্ত্ৰী।

হাল্ডিঙৰ সম্পত্তি কৰ ন্যূনতম ৫শ টকা হ'ব।

## 'সহযোগিতাৰ মাজেৰে প্ৰকৃতি সুৰক্ষাৰ বাবে কাম কৰাৰ অংগীকাৰবদ্ধ'

# কানৈ কলেজ-প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ মাজত বুজাবুজি চুক্তি

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২১ মে' ঃ 'দুয়োটা অনুষ্ঠানৰ সহযোগিতাৰ মাজেৰে প্ৰকৃতি সুৰক্ষাৰ বাবে কাম কৰিব লাগিব। সৰু সৰু পদক্ষেপৰ মাজেৰে প্ৰকৃতিক কিদৰে ৰক্ষণাবেক্ষণ দিব পৰা যায় সেই বিষয়ে চিন্তা কৰিব লাগিব।' ডি এইচ এছ কানৈ মহাবিদ্যালয় আৰু অসম প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ মাজত হোৱা এক ঐতিহাসিক বুজাবুজি চুক্তি অনুষ্ঠানত উপস্থিত থাকি অসম প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ সদস্য সচিব ড° শান্তনু কুমাৰ দত্তই কালি এইদৰে কয়। তেওঁ কয়, প্ৰকৃতি সুৰক্ষাৰ কামত আগবঢ়াৰ আগতে আমি এটা সুন্দৰ পৰিকল্পনা কৰি ল'ব লাগিব। যাতে আমি এটি সুন্দৰ পৰিকল্পনাৰ মাজেৰে কাম কৰি যোৱাত সুবিধা হয় বুলি মন্তব্য কৰি কয়— কেৱল শব্দ প্ৰদূষণ বুলিয়ে নহয়, ডিব্ৰুগড় জিলাখনক আমি সকলো ধৰণৰ প্ৰদূষণৰ পৰা মুক্ত কৰাৰ চেষ্টা কৰিম।



ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক তথা আন্তঃৰাষ্ট্ৰীয় আৰু ঔদ্যোগিক সম্পৰ্কৰ সমন্বয়ক ড° পল্লৱী গগৈয়ে আঁত ধৰা অনুষ্ঠানটোত ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কয়, ডি এইচ এছ কানৈ মহাবিদ্যালয় আৰু অসম প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ মাজত হোৱা বুজাবুজি চুক্তিয়ে প্ৰদূষণ নিয়ন্ত্ৰণ, পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। এনে সুন্দৰ পদক্ষেপ গ্ৰহণ কৰাৰ বাবে অধ্যক্ষগৰাকীয়ে অসম প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডক ধন্যবাদ জ্ঞাপন কৰি অসম প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ সদস্য সচিব ড° শান্তনু কুমাৰ দত্তক শীঘ্ৰে ডিব্ৰুগড় জিলাক 'ন' হৰ্ন' জিলা হিচাপে ঘোষণাৰ ক্ষেত্ৰত পদক্ষেপ ল' বলৈ আহ্বান জনায়। গাম্ভীৰ্যপূৰ্ণ

১০ পৃষ্ঠাত